# অসম চৰকাৰ

## বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগ

## অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ

## সংস্কাৰ মানুহে মানুহৰ বাবে

### - বিজ্ঞান আৰু প্ৰত্যাহ্বান

## গৱেষণামূলক পত্ৰ/নিবন্ধৰ আহ্বান

---

অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে অসমৰ নাগৰিকৰ পৰা বৈজ্ঞানিক বিষয়বস্তু লৈ নিবন্ধৰ আহ্বান কৰিছে। সমাজ, স্বাস্থ্য, অন্ধবিশ্বাস আৰু আমাৰ দায়িত্ব বিষয়ক লিখনিসমূহ **চাৰিটা শাখাত** (Category) আহ্বান কৰিছে। শ্ৰেষ্ঠ নিবন্ধ লেখকক **নগদ ধন আৰু প্ৰমাণ-প্ৰত্ৰৰে পুৰস্কৃত কৰা হ'ব**। ইয়াৰ উপৰি নিৰ্বাচিত নিবন্ধসমূহ সামৰি ISBN সম্বলিত পুথি আকাৰে প্ৰকাশৰ ব্যৱস্থাও কৰা হ'ব।

**নিয়ম আৰু নিৰ্দেশনা** (Rules and Guidelines) ঃ

১) 'ক' শাখা (**C**ategory A): (বিজ্ঞানভিত্তিক নিবন্ধ) **দশম শ্ৰেণী পৰ্যন্ত**; 'খ' শাখা: (বিজ্ঞানভিত্তিক নিবন্ধ) **একাদশ-দ্বাদশ শ্ৰেণী** বা সমপৰ্যায়ৰ; 'গ' শাখা: (বিজ্ঞানভিত্তিক নিবন্ধ) **স্নাতকৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ, ডিপ্লমাৰ শিক্ষাৰ্থী আৰু সমপৰ্যায়ৰ**; 'ঘ' শাখা: (গৱেষণা পত্ৰ/নিবন্ধ) **সকলোৰে বাবে মুকলি**।

অসমৰ বাসিন্দা, পৃথিৱীৰ যিকোনো ঠাইত থকা কিন্তু বেলেগ দেশৰ নাগৰিকত্ব গ্ৰহণ নকৰা সকলো লোকেই ইয়াত অংশগ্ৰহণ কৰিব পাৰিব।

২) নিবন্ধসমূহ মৌলিক, তথ্যসমৃদ্ধ আৰু বিশ্লেষণাত্মক হোৱাৰ উপৰি লেখকৰ বিজ্ঞানমনস্কতা আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰতিফলন থকা উচিত। কেৱল বিজ্ঞানভিত্তিক লেখাসমূহহে গ্ৰহণযোগ্য হ'ব।

৩) শব্দ-সংখ্যা, টীকা বা চিত্ৰপট ঃ 'ক' শাখা - সৰ্বাধিক ২০০০ শব্দ; 'খ' শাখা - সৰ্বাধিক ২৫০০ শব্দ; আৰু 'গ' আৰু 'ঘ' শাখা- সৰ্বাধিক ৩৫০০ শব্দ (প্ৰসংগসূচীক বাদ দি। আন্তৰ্জাতিকভাৱে গ্ৰহণযোগ্য শৈলীতহে অতিকৈ দৰকাৰী প্ৰসংগসমূহ সন্নিৱিষ্ট কৰিব পাৰিব)। লেখকসকলে উৎসৰ উল্লেখসহ গ্ৰাফ, তালিকা, চিত্ৰপট বা 'ইলাচট্ৰেশ্যন', ফটোগ্ৰাফ আদি ( কম সংখ্যক) ব্যৱহাৰ কৰিব পাৰিব।

৪) **বঁটা ঃ** ক্ৰমানুসৰি প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানৰ বঁটাসমূহ হ'ল-

'ক' শাখা ঃ ২৫,০০০.০০ টকা, ২০,০০০.০০ টকা, ১৫,০০০.০০ টকা

'খ' শাখা ঃ ৩০,০০০.০০ টকা, ২৫,০০০.০০ টকা, ২০,০০০.০০ টকা

'গ' শাখা ঃ ৪০,০০০.০০ টকা, ৩০,০০০.০০ টকা, ২৫,০০০.০০ টকা

'ঘ' শাখা ঃ ৫০,০০০.০০ টকা, ৩৫,০০০.০০ টকা, ২৫,০০০.০০ টকা

30.04.2020

('খ', 'গ' আৰু 'ঘ' শাখাৰ মাজৰপৰা বিচাৰকৰ দ্বাৰা নিৰ্বাচিত শ্ৰেষ্ঠ নিবন্ধ লেখকগৰাকীক ১,০০,০০০.০০ (এক লাখ) টকাৰে পুৰস্কৃত কৰা হ'ব। এই নিবন্ধ যিটো নিৰ্বাচিত শাখাৰ আওতাৰ ভিতৰত পৰিব সেই শাখাৰ প্ৰথম বঁটাকো এই পুৰস্কাৰৰ ভিতৰতে ধৰা হ'ব। ইয়াৰ উপৰি প্ৰতিটো শাখাতে তিনিটাকৈ নিবন্ধক বিচাৰকৰ বঁটা হিচাপে ১০,০০০.০০ টকাকৈ পুৰস্কৃত কৰা হ'ব।

৫) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ কৰ্মকৰ্তা আৰু এই বিভাগৰ অন্তৰ্গত কোনো সংস্থা আৰু তেনে ব্যক্তিৰ সন্তান আৰু নিকট আত্মীয়ই ইয়াত অংশ ল'ব নোৱাৰিব।

৬) **জমা দিয়াৰ অন্তিম তাৰিখ** ঃ নিবন্ধসমূহ **২০২০ চনৰ মে' মাহৰ ৩০ তাৰিখ বা তাৰ আগতে কেৱল মাথোঁ ই-মেইলযোগে পঠিয়াব লাগিব।** **myessayastec@gmail.com** বা **sanskarastec@gmail.com** ই-মেইলতহে পঠিয়াব পাৰিব। লেখকৰ **যোগাযোগৰ সম্পূৰ্ণ ঠিকনা, ম'বাইল নম্বৰ, একপি পাছপ'ৰ্ট আকাৰৰ ফটো লগতে পঠিয়াব লাগিব**। ই-মেইল পঠিওৱাতে বিষয় "ARTICLE FOR CATEGORY……" (A, B, C বা D, যিটো হয়) বুলি লিখিব লাগিব।

৭) **ছাত্ৰ-ছাত্ৰীয়ে নিজ শিক্ষানুষ্ঠানৰ পৰিচয়-পত্ৰৰ স্কেন কপিও একেটা ই-মেইলতে বাধ্যতামূলক হিচাপে পঠিয়াব লাগিব।** আনহাতে, 'ঘ' শাখাৰ অংশগ্ৰহণকাৰীয়ে নিজ পৰিচয়ৰ প্ৰমাণৰ (ID-proof) স্কেন কপি বাধ্যতামূলক হিচাপে পঠিয়াব লাগিব।

৮) **নিবন্ধৰ শিৰোনাম** ঃ শাখা অনুসৰি নিৰ্দিষ্ট কৰা বিষয়ৰ লগত সংগতি ৰাখি লেখকে শিৰোনাম নিজেই দিব পাৰিব।

**৯) বিষয়** (বিষয়বোৰৰ সম্পৰ্কে বৰ্ণনা দিয়া আকাংক্ষিত সকলো মূল দিশ সামৰি ল'লে ভাল) ঃ প্ৰতিটো শাখাতে দিয়া দুটা বিষয়ৰ যিকোনো এটা বিষয় বাচি ল'ব পাৰিব।

**'ক' শাখা ঃ**

১) **অণুজীৱৰ জগত, স্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱ আৰু প্ৰতিৰোধৰ উপায়** (WORLD OF MICROBES, THEIR IMPACTS ON HEALTH AND PREVENTIVE MEASURES) (অণুজীৱৰ জগতখনৰ পৰিচয়, অণুজীৱৰ প্ৰয়োজনীয়তা আৰু অপকাৰ, অণুজীৱৰ পৰা হোৱা ৰোগ, মহামাৰীৰ ঘটনা, প্ৰতিৰোধৰ উপায় যেনে- পৰিষ্কাৰ-পৰিচ্ছন্নতা, অনাময় ব্যৱস্থা, ছিটা আৰু নিৰাময়, নাগৰিকৰ দায়িত্ব আদি)

২) **স্বাস্থ্য বিষয়ক অন্ধবিশ্বাস আৰু আমাৰ দায়িত্ব** (HEALTH RELATED SUPERSTITIONS AND OUR RESPONSIBILITIES) {অন্ধবিশ্বাস আৰু ইয়াৰ অন্তৰ্নিহিত কাৰণ, স্বাস্থ্য বিষয়ক অন্ধবিশ্বাস আৰু উদাহৰণসহ ইয়াৰ বিৱৰণ (বিশ্ব-দেশ-ৰাজ্য-স্থানীয় পৰ্যায়ত), বিজ্ঞানসন্মত মানসিকতাৰ প্ৰয়োজনীয়তা, প্ৰতিৰোধ আৰু দায়িত্ব}

**'খ' শাখা ঃ**

১) **মহামাৰী ঃ এক ঐতিহাসিক অৱলোকন** (EPIDEMICS: A Historical Perspective) ( মহামাৰী কি? বিশ্বত মহামাৰীৰ ইতিহাস, মহামাৰী প্ৰতিৰোধৰ বাবে বৈজ্ঞানিক আৱিষ্কাৰ আৰু উদ্ভাৱনসমূহ, ভাৰতীয় প্ৰেক্ষাপট, এই মহামাৰীৰ বিৰুদ্ধে যুঁজ দিবলৈ মানুহৰ সহনশীলতা)

30.04.2020

২) **ভাইৰাছ, জনস্বাস্থ্য আৰু আমাৰ সমাজ** (VIRUS, HUMAN HEALTH AND OUR SOCIETY) (ভাইৰাছ, ইয়াৰ প্ৰকাৰ, ভাইৰাছজনিত বিভিন্ন ৰোগ, ভাইৰাছজনিত মহামাৰী, মানুহৰ সহনশীলতা, স্বাস্থ্য আৰু স্বাস্থ্যজনিত সমস্যা, জনসম্পৰ্কৰ ওপৰত প্ৰভাৱ, সামাজিক অপবাদ, ক'ভিড-১৯ৰ ফলত সৃষ্ট সাম্প্ৰতিক পৰিস্থিতি, আমাৰ দায়িত্ব)

**'গ' শাখা ঃ**

১) **ক'ভিড-১৯ৰ ফলত সৃষ্টি হোৱা দুৰ্যোগ বনাম প্ৰাকৃতিক দুৰ্যোগ** (DISASTER CREATED BY COVID-19 Vis-aVis NATURAL DISASTER) (উভয়ৰ দ্বাৰা সৃষ্ট ক্ষতি; স্বাস্থ্য, সংস্কৃতি, সামাজিক জীৱনৰ ওপৰত প্ৰভাৱ, প্ৰব্ৰজন, অভিযোজন, স্থানীয় প্ৰেক্ষাপট, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ভূমিকা, ক'ভিড-১৯ৰ দৰে দুৰ্যোগ মোকাবিলাৰ সম্ভাব্য উপায়)

২) **অসমৰ বিভিন্ন সমাজৰ পৰম্পৰাগত স্বাস্থ্যবিধি আৰু অনাময় পদ্ধতি ঃ বৰ্তমান সময়ত ইয়াৰ বৈজ্ঞানিক প্ৰাসংগিকতা** (TRADITIONAL HYGIENCE AND SANITATION PRACTICES OF SOCIETIES OF ASSAM : THEIR SCIENTIFIC RELEVANCE IN THE PRESENT CONTEXT) (স্বাস্থ্য আৰু স্বাস্থ্যবিধি বিষয়ত পৰম্পৰাগত জ্ঞান, অসমৰ সমাজ ব্যৱস্থাৰ উদাহৰণ, অনাময় ব্যৱস্থা, ৰোগৰ বিৰুদ্ধে যুঁজাৰ ক্ষমতা, সাম্প্ৰতিক বিশ্বজোৰা মহামাৰীকে ধৰি বেক্টেৰিয়া আৰু ভাইৰাছজনিত ৰোগ নিৰাময়ত এই ধৰণৰ অভ্যাসৰ বৈজ্ঞানিক প্ৰাসংগিকতা)

**'ঘ' শাখা ঃ**

১) **আন্তৰ্জাতিক সম্পৰ্কৰ ওপৰত ক'ভিড-১৯ৰ প্ৰভাৱ** (IMPACT OF COVID-19 ON INTERNATIONAL RELATIONS) (বিশ্বজোৰা মহামাৰী, মহামাৰীৰ বিৰুদ্ধে বিশ্বৰ যুঁজ, দৰিদ্ৰতা, দুৰ্ভিক্ষ, অৰ্থনৈতিক প্ৰভাৱ, ছিটাৰ বিকাশ, চিকিৎসা আৰু আন্তৰ্জাতিক সম্পৰ্কত প্ৰভাৱ, আন্তৰ্জাতিক সমুদায়ে কিদৰে আচৰণ কৰা উচিত ?)

২) **ক'ভিড-১৯ৰ পিছৰ ভৱিষ্যত, ভাৰতবৰ্ষৰ বিশেষ প্ৰসংগসহ** (FUTURE AFTER COVID-19 WITH SPECIAL REFERENCE TO INDIA) (বৰ্তমানৰ বিশ্বজোৰা মহামাৰীৰ দীৰ্ঘকালীন প্ৰভাৱ, বিগত অভিজ্ঞতা, বিপৰ্যয়ৰ পৰৱৰ্তী সময়ত সম্ভাব্য ইতিবাচক আৰু নেতিবাচক প্ৰভাৱ, সমগ্ৰ বিশ্ব আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অৰ্থনৈতিক আৰু ৰাজনৈতিক সমীকৰণৰ পূৰ্বানুমান, শিক্ষা, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তনৰ ওপৰত প্ৰভাৱ, এই বিশ্বজোৰা মহামাৰীৰ পৰা লাভ কৰা শিক্ষা বা বোধ। জৈৱিক দুৰ্যোগসমূহৰ ক্ষেত্ৰত সহনশীলতা বৃদ্ধিৰ প্ৰয়োজনীয়তা।)

30.04.2020

Webmaster
Pl. upload
30/4/2020